# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** **তাং- ৩১/১০/২০১৯**

## কাৰ্য্যবিৰৰণী

আজি ইং ৩১/১০/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

বৈঠকৰ আৰম্ভণিতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে কাৰ্যালয়ৰ যিসকল কৰ্মচাৰীয়ে নিয়াৰিকৈ নিজৰ দ্বায়িত্বসমূহ পালন কৰা নাই সেইসকল কৰ্মচাৰীক সকিয়নি দিয়ে আৰু সমূহ কৰ্মচাৰীক নিজৰ কামসমূহ দ্বায়িত্বসহকাৰে পালন কৰিবলৈ নিৰ্দেশ কৰে। লগতে যিসকল কৰ্মচাৰীয়ে ছুটী লোৱাৰ ক্ষেত্ৰত অনিয়ম কৰিছে তেওঁলোকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনায়।

নতুন আচামী হাজিৰ কৰাৰ সময়ত “কেছ ডায়েৰী’ আৰু জব্দকৃত সামগ্ৰীসমূহ মজুত ৰাখিবলৈ অনুসন্ধানকাৰী বিষয়াসকলক অৱগত কৰিবলৈ PSI কৰ্টক নিৰ্দেশ কৰে। ইয়াৰ পিছতে কাৰ্যালয়ৰ issue and received Register ৰ নিয়মিয়াকৈ মূখ্য ন্যায়িক দণ্ডাধীশৰ দ্বাৰা পৰ্যবেক্ষণ কৰোৱাবলৈ জনায়। কোনো কৰ্মচাৰীৰ কাৰ্যালয়ত উপস্থিত হওঁতে কেতিয়াবা পলম হলে মূখ্য সহায়কক অৱগত কৰাবলৈ পৰামৰ্শ প্ৰদান কৰে। লগতে সমূহ কৰ্মচাৰীক সময়মতে কাৰ্যালয়ত উপস্থিত থাকিবলৈ জনায়।

কাৰ্যালয়ৰ মূখ্য সহায়কৰ বক্তব্যত পূৰ্বৱতী সময়ৰ দৰেই সহকৰ্মীসকলক নিজ নিজ দ্বায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান কৰে। লগতে পুৰণি চিঠি পত্ৰসমূহ scanning কৰি সংৰক্ষণৰ ব্যৱস্থা লোৱাৰ বিষয়ে অৱগত কৰে।

Nazir ৰ বক্তব্যত কাৰ্যালয়ৰ সহকৰ্মীসকলক কাৰ্যালয়ৰ কাম সমূহ নিজৰ কাম হিচাপে ধৰি লৈ কেনেদৰে ভাললগা কৰি ল’ব পাৰে তাৰ পৰামৰ্শ আগবঢ়ায়।

ইয়াৰ পিছতে কাৰ্যালয়ৰ অনুষাংগিক নানান দিশৰ ওপৰত থূলমূল আলোচনা হয় আৰু জলযোগেৰে সভা ভংগ হয়।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

| অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ |
|---|---|---|
| (ৰাহুল মেধি) | (মনিকা মিচং) | (নাজৰানা পাৰবিন ৰেহমান) |